**পটভূমি ঃ**

'পদ্মা নদীৰ মাঝি' উপন্যাসৰ কাহিনী উপস্থাপন কৰা হৈছে বাংলাদেশৰ প্ৰাণস্পন্দন স্বৰূপ পদ্মা নদীৰ বিশাল জলৰাশি আৰু নদীৰ পাৰৰ কেতুপুৰ গাঁৱক কেন্দ্ৰ

কৰি এক সীমিত অঞ্চলৰ পটভূমিত। কাহিনীৰ সৈতে পদ্মাৰ জলধাৰা, নদীৰ বুকুত থকা মাছ, পানীত সৃষ্টি হোৱা ঢৌ, পদ্মাৰ বুকুৰে বৈ অহা বতাহ সকলোবোৰৰেই সম্পৰ্ক এৰাব নোৱাৰা। কাহিনীৰ মূল চৰিত্ৰ কুবেৰৰ জীৱন অভিজ্ঞতা পদ্মা নদীক কেন্দ্ৰ কৰিয়ে আৱৰ্ত্তিত। পদ্মা নদীৰ পৰা আঁতৰাই আনিলে কুবেৰ মাঝিৰ জীৱন ৰস ব্যাহত হৈ পৰিব। সমগ্ৰ উপন্যাসখনৰ কাহিনীত কুবেৰে এবাতিৰ বাবে মাথো পদ্মা তীৰৰ পৰা খোজ কাঢ়ি বাৰ তেৰ মাইল আঁতৰৰ আকুৰটাকুৰ গাঁৱলৈ গৈছে। কিন্তু এদিনৰ অভিজ্ঞতাই কুবেৰক অস্থিৰ কৰি তুলিছে —। পদ্মা নদী অবিহনে কুবেৰৰ অস্তিত্ব যেন অসাৰ।

*নদীকে সে (কুবেৰে) বড় ভালবাসে, নদীৰ বুকে ভাসিয়া চলাৰ মত সুখ আৰ নাই। (পৃঃ ৯২)*

* * *

*পদ্মা নদীৰ কূল ছাড়িয়া দশ মাইল তফাতে চলিয়া আসিয়াছে সে, মন কেমন কৰিতেছে তাৰ। পদ্মাৰ বাতাস গায়ে না লাগিলে, কেতুপুৰেৰ মেছো গন্ধ না শুঁকিলে, সে সুস্থ হইবে না। (পৃঃ১০৯)*

প্ৰকৃতিৰ অংগ বিশাল জলধাৰা পদ্মা নদী মানিক বন্দোপাধ্যায়ৰ ৰচনাত এক বিশিষ্ট চৰিত্ৰৰ ৰূপত সঞ্জীৱিত হৈ উঠিছে। পদ্মাৰ ৰূপৰ বৰ্ণনাত, গুণ আৰু গাম্ভীৰ্য্য বৰ্ণনাত ঔপন্যাসিক উৎসাহী হৈ উঠিছে।

*... তবু নদী ছাড়া সবই বাহুল্য। আকাশেৰ ৰঙীন মেঘ ও ভাসমান পাখি, ভাঙন ধৰা তীৰে শুভ্ৰ কাশ ও শ্যামল তৰু, নদীৰ বুকে জীৱন সঞ্চালন, এসব কিছুই যদি না থাকে, শুধু এই বিশাল একাভিমুখী জলস্ৰোতকে পদ্মাৰ মাঝি ভালবাসিবে সাৰা জীৱন। মানবী প্ৰিয়াৰ যৌৱন চলিয়া যায়, পদ্মা তো চিৰযৌবনা। বৈচিত্ৰ্য? কী তাৰ প্ৰয়োজন? নূতন পৃথিবী কে খোজেঁ, কে চায় পদ্মাৰ ৰূপেৰ পৰিবৰ্ত্তন, শুধু ভাসিয়া চলাৰ অতিৰিক্ত মোহ? (পৃঃ ৯২)*

কুবেৰে প্ৰতিনিধিত্ব কৰা পদ্মা তীৰৰ মাঝিসকলৰ জীৱন সংগ্ৰামৰ থলী পদ্মা নদীৰ পানী, ভাহি ফুৰাতেই তেওঁলোকৰ আনন্দ। মাছ ধৰা, নাও বোৱা, পেটৰ ভোক নিবাৰণ কৰা আৰু জৈৱিক ক্ষুধা নিবৃত্তিয়েই তেওঁলোকৰ চৰম আকাঙ্ক্ষিত প্ৰাপ্তি। দেহ নিৰ্ভৰশীল এই চৰিত্ৰসমূহে এই নিৰ্দ্ধাৰিত পৰিমণ্ডলৰ পৰা বাহিৰলৈ ওলাই আহিব পৰা নাই বা আহিবলৈ চেষ্টাও কৰা নাই। তেওঁলোকৰ প্ৰয়োজন আৰু প্ৰাপ্তি দুয়োটাই সীমিত। এই পৰিমণ্ডলৰ বাহিৰৰ পৰা কোনোৱে সহায়ৰ হাত আগবঢ়াব খুজিলেও